**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-SEP-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

——————————————

১। চাপৰৰ তাপ বিদ্যুৎ প্ৰকল্প উত্তৰ-পূৰ্বাঞ্চলৰ লগতে সমগ্ৰ দেশৰ বাবে এটা শক্তিশালী বাৰ্তা বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

২। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক আৱিৰ্ভাৱ তিথি উপলক্ষে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী।

৩। নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনৰ প্ৰস্তুতি অব্যাহত।

৪। লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয় শিক্ষা বিভাগৰ পাৰস্পৰিক বুজাবুজিৰ ভিত্তিত শিক্ষকৰ বদলিত অনুমোদন। **আৰু**

৫। এছিয়ান গেমছত বৰ্তমানলৈ ভাৰতৰ দুটা ৰূপৰ পদক অৰ্জন। মিক্সড সমৰকলাৰ ছেমি ফাইনেলত আজি ছুচিকা টাৰিৱাল ছিংগাপুৰৰ প্ৰতিদ্বন্দীৰ মুখামুখি।

০০০০০০

ৰাজ্যৰ বৰ্ধিত শক্তি চাহিদা পূৰণৰ লগতে উদ্যোগ আৰু বিনিয়োগৰ বাবে নিৰ্ভৰযোগ্য বিদ্যুৎ যোগান নিশ্চিত কৰাৰ দিশে ৰাজ্যখন আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। ধুবুৰী জিলাৰ চাপৰত কালি ৩ হাজাৰ ২০০ মেগাৱাট শক্তিসম্পন্ন তাপবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে আত্মনিৰ্ভৰ অসম গঢ়াৰ দিশৰ পৰা এই দিনটো ইতিহাসৰ পৃষ্ঠাত সোণালী আখৰেৰে লিখা থাকিব। ৪৮ হাজাৰ কে ট টকা ব্যয় সাপেক্ষ এই বৃহৎ প্ৰকল্পটো ৰাজ্যৰ শক্তি খণ্ডৰ বিকাশৰ ক্ষেত্ৰত এটা ঐতিহাসিক পদক্ষেপ বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে অসম অতি ক্ষিপ্ৰতাৰে উত্তৰ-পূবৰ শক্তি খণ্ডৰ প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি উঠিছে আৰু কেইবাটাও বৃহৎ শক্তি প্ৰকল্পৰ কাম চলি আছে। এই তাপ বিদ্যুৎ প্ৰকল্পটোৱে এডভাণ্টেজ আছাম বিনিয়োগ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ সফলতাক প্ৰতিফলিত কৰা বুলিও তেওঁ প্ৰকাশ কৰে। ড০ শৰ্মাই লগতে চাপৰৰ তাপ বিদ্যুৎ প্ৰকল্প কেৱল অসম বা উত্তৰ-পূৰ্বাঞ্চলৰ নহয় বৰঞ্চ সমগ্ৰ দেশৰ বাবে এটা শক্তিশালী বাৰ্তা বুলি মন্তব্য কৰে।

**বাইট (চি এম)**

ৰাজ্যত উদ্যোগ, বিনিয়োগ আৰু অৰ্থনৈতিক বিকাশৰ গতি বৃদ্ধি পোৱাৰ লগে লগে বিদ্যুতৰ চাহিদাও বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি শক্তিখণ্ডত নতুন নতুন সময়োপযোগী উৎপাদন ক্ষেত্ৰ নিৰ্মাণত গুৰুত্ব প্ৰদান কৰা হৈছে। এই প্ৰকল্পই হাজাৰ হাজাৰ যুৱক-যুৱতীৰ বাবে নিয়োগৰ সুযোগ সৃষ্টিৰ লগতে চাপৰ, ধুবুৰী আৰু পশ্চিম অসমৰ স্থানীয় অৰ্থনীতিৰ বিকাশত সহায় কৰিব বুলি তেওঁ উল্লেখ কৰে। প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য চলি থকাৰ সময়ছোৱাত প্ৰায় ২০ হাজাৰ লোকৰ কৰ্মসংস্থাপন আৰু সম্পূৰ্ণৰূপে কাৰ্যক্ষম হ'লে প্ৰায় ৫ হাজাৰ স্থায়ী চাকৰি সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মোৎসৱ আজি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে। সত্ৰপীঠ মাজুলীৰ সত্ৰ, নামঘৰসমূহৰ লগতে আঞ্চলিক ধৰ্মালোচনী সভাসমূহৰ উদ্যোগত শংকৰদেৱৰ জন্মোৎসৱ বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জিলাখনৰ বহু ঠাইত কালিৰে পৰা গুৰুজনাৰ জন্মোৎসৱ অনুষ্ঠিত হৈছে। উজনি মাজুলীৰ এলেঙ্গি টকৌবাৰী সত্ৰত শ্ৰীৰাম ভকতিদ্বাৰ আঞ্চলিক ধৰ্মালোচনা সভাৰ উদ্যোগত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হৈছে। কালি পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, নাম-প্ৰসঙ্গ, ধৰ্ম-ধবজা উত্তোলন, বৰগীত, চিত্ৰাংকণ আৰু দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি মুকলি সভা, বঁটা বিতৰণী অনুষ্ঠান আৰু নিশালৈ স্থানীয় যুৱকৰ সহযোগত হৰিচন্দ্ৰ উপাখ্যান ভাওনা প্ৰদৰ্শন কৰা হ'ব।

ইপিনে মধ্য মাজুলী আঞ্চলিক শংকৰদেৱ সাংস্কৃতিক সংঘৰ সৌজন্যত পোলোঙানী গাঁৱত কালিৰে পৰা চাৰিদিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত মধ্য মাজুলী আঞ্চলিক শংকৰদেৱ সাংস্কৃতিক সংঘৰ সভাপতি দিনাৰাম বৰাই সাংবাদিকৰ আগত এইদৰে কয়—

**বাইট (দিনাৰাম বৰা)**

শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি উপলক্ষে **গোৱালপাৰা** জিলাৰ সত্ৰ, নামঘৰসমূহতো আজি পুৱাৰে পৰা হৰিনামৰ ধবনিৰে মুখৰ হৈ পৰিছে। গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰীশ্যামৰায় সত্ৰত পাঁচদিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। জিলাখনৰ বগুৱানৰ ঐতিহাসিক হাটী সত্ৰতো গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উদযাপন কৰা হৈছে।

**বাক্সা** জিলাত শংকৰদেৱৰ জন্মোৎসৱৰ আয়োজনৰ বিষয়ে সবিশেষ জনাইছে জিলাখনৰ পৰা আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে—

**ভইচকাষ্ট (দামোদৰ)**

**বৰপেটা** সত্ৰত শংকৰদেৱৰ জন্মোৎসৱ উপলক্ষে পুৱা আইসকলৰ প্ৰসংগৰ পাছত বাপসকলে প্ৰসংগ কৰে। জিলাখনৰ পাটবাউসীৰ শ্ৰীশ্ৰীশংকৰদেৱ থান সত্ৰ, গুৰুজনাই বৰপেটালৈ আহি প্ৰথম বাহৰ পতা চিনপৰা ভিঠি থান সত্ৰৰ লগতে গনককুছি সত্ৰ, সুন্দৰীদিয়া সত্ৰকে ধৰি আন আন সত্ৰ, নামঘৰসমূহত গুৰুজনাৰ জন্মোৎসৱ আয়োজন কৰা হৈছে।

**কোচবিহাৰ**ৰ মধুপুৰ সত্ৰতো প্ৰভাতী বন্দনাৰে দিনজোৰা কাৰ্যসূচী আৰম্ভ হৈছে। দিনৰ ভাগত ভাগৱত পাঠ, নাম প্ৰসংগ, থিয় নাম আদি অনুষ্ঠিত হ'ব।

শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা সত্ৰত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। কালি তাল কোবোৱা প্ৰসংগ, মঞ্জিৰা নাম, আইসকলৰ নাম, খোল প্ৰসংগ পৰিৱেশনৰ লগতে চিত্ৰাংকন, থিতাতে ৰচনা লিখা, সদৌ অসম ভিত্তিত বৰগীত আৰু দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়।

**ডিব্ৰুগড়** জিলাৰ বিভিন্ন সত্ৰ, নামঘৰসমূহতো গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উপলক্ষে নাম-প্ৰসংগ, কীৰ্তন, ভাগৱত যাত্ৰা আদি অনুষ্ঠিত হৈছে।

০০০০০০

লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে পাৰস্পৰিক বুজাবুজিৰ ভিত্তিত শিক্ষকৰ বদলিত অনুমোদন জনাইছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা

বিভাগৰ আয়ুক্ত-সচিব নাৰায়ণ কোঁৱৰে মাধ্যমিক শিক্ষা সঞ্চালকালয় আৰু প্ৰাথমিক শিক্ষা সঞ্চালকালয়লৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰখনত বদলি হোৱা শিক্ষকসকলক নতুন বিদ্যালয়ত যোগদানৰ বাবে পুৰণি বিদ্যালয়ৰ পৰা অব্যাহতি দিবলৈ নিৰ্দেশ জাৰি কৰা হৈছে। আনহাতে যিসমূহ জিলাত নিৰ্বাচনৰ আচৰণ বিধি বলৱৎ হৈ আছে, সেইসমূহ জিলাত আচৰণ বিধি শেষ হোৱাৰ পাছতহে বিদ্যালয়ৰ পৰা অব্যাহতি দিবলৈ কোৱা হৈছে।

oooooo

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে নগাঁও জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। নিৰ্বাচনী প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনা কৰাৰ লক্ষ্যৰে কালি জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত আৰণ্যক শইকীয়াই ষ্ট্ৰং ৰুম আৰু গণনা কেন্দ্ৰ হিচাপে ব্যৱহাৰ হ'বলগীয়া দুখন শিক্ষানুষ্ঠান পৰিদৰ্শন কৰে। জিলা আয়ুক্তগৰাকীয়ে নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয় আৰু ডচন উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত উপস্থিত হৈ সকলো দিশ পৰ্যবেক্ষণ কৰে।

ইপিনে বিজেপি, বিৰোধী দল কংগ্ৰেছ, এ আই ইউ ডি এফকে ধৰি বিভিন্ন ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰী পীযুষ হাজৰিকাই কালি জাগীৰোড গাঁও পঞ্চায়তৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাই দেশসেৱা মন্ত্ৰৰে ৰাজহুৱা সেৱাৰ ২৫ বছৰ সম্পূৰ্ণ কৰিছে। সেৱা আৰু সুশাসনৰ দৃষ্টিভংগীৰে পৰিচালিত হৈ চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে অবিৰতভাৱে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত সৰ্বাংগীন উন্নয়ন আৰু সামাজিক সৰলীকৰণৰ জৰিয়তে দেশৰ জনসাধাৰণৰ জীৱনৰ আমূল পৰিৱৰ্তন ঘটোৱাৰ প্ৰয়াস কৰা হৈছে।

সেৱা সংকল্প অভিযানৰ আজিৰ খণ্ডত আমি আপোনালোকলৈ লৈ আহিছো প্ৰধানমন্ত্ৰী গতিশক্তি ৰাষ্ট্ৰীয় মাষ্টাৰ প্লেনে কিদৰে বিকশিত ভাৰতৰ দৃষ্টিভংগীক কাৰ্যকৰী কৰাত সহায় কৰিছে সেই সন্দৰ্ভত বিশেষ প্ৰতিবেদন। আগবঢ়াইছে বৰপেটাৰ পৰা আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই—

**(প্ৰতিবেদন)**

oooooo

ডিব্ৰুগড় জিলাৰ মৰাণহাটত কালি মৰাণ আৰক্ষীয়ে আলফাৰ নামত ধন দাবী কৰাৰ অভিযোগত দুজন যুৱকক আটক কৰে। মৰাণহাট আৰক্ষী আৰু চৰাইদেউৰ ভাৰতীয় সেনাই চলোৱা যৌথ অভিযানত ডিব্ৰুগড়ৰ পাৰ্থপ্ৰতিম বৰুৱা আৰু মথুৰাপুৰৰ আব্দুল ছাত্তাৰ নামৰ যুৱক দুজনক আটক কৰে। ধন দাবী আৰু বিভিন্ন অবৈধ কাৰ্যকলাপৰ সৈতে যুৱক দুজন জড়িত আছিল বুলি আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

oooooo

জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে দুটা ৰূপৰ পদক অৰ্জন কৰিছে। প্ৰতিযোগিতাত মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফল শ্বুটিঙৰ দলীয় শাখাত ইলাভেনিল ভালাৰিভান, সোণম মাস্কাৰ আৰু বিদৰ্শা বিনোদে দেশৰ হৈ এইবাৰৰ এছিয়ান গেমছৰ প্ৰথমটো পদক অৰ্জন কৰে। এছিয়ান গেমছত এইবাৰ নতুনকৈ অন্তৰ্ভুক্ত কৰা মিক্সড সমৰকলাত ছুচিকা টাৰিৱালে পদক নিশ্চিত কৰিছে।

ছুচিকাই মহিলাৰ পৰম্পৰাগত এম এম এ ৬০ কিলোগ্ৰাম শিতানত ছেমি ফাইনেলত প্ৰৱেশ কৰি পদক লাভ কৰাটো নিশ্চিত কৰে। খেলুৱৈগৰাকীয়ে আজি ছেমি ফাইনেলত ছিংগাপুৰৰ টিউ হুই হ্যনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে এছিয়ান গেমছৰ মহিলা ক্ৰিকেটৰ দ্বিতীয়খন ছেমি ফাইনেলত ভাৰতে বাংলাদেশক ১১৪ ৰানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে কাইলৈ হ'বলগীয়া ফাইনেলত শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব।

ভাৰতৰ মহিলা বেডমিণ্টন দলেও কাজাখস্তানক ৩-০ৰ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে ভাৰতীয় পুৰুষ হকী দলে এছিয়ান গেমছত জয়েৰে অভিযান আৰম্ভ কৰিছে। ভাৰতে কালি ইণ্ডোনেছিয়াক ১৩-১ গ'লত পৰাস্ত কৰে। ভাৰত কাইলৈ শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে মহিলা হকী দলে উজবেকিস্তানক ১৯-০ গ'লত পৰাস্ত কৰে। ভাৰতীয় মহিলা দলটো আজি ইণ্ডোনেছিয়াৰ সন্মুখীন হ'ব।

প্ৰতিযোগিতাত আজি পুৰা ভাৰতৰ পুৰুষ কাবাডী দলে জাপানৰ বিৰুদ্ধে আৰু মহিলা দলে বিয়লি বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে বেডমিণ্টনত লক্ষ্য সেন আৰু ভাৰতীয় পুৰুষ দল বাংলাদেশৰ সন্মুখীন হ'ব। উশুত দুবাৰৰ এছিয়ান গেমছৰ পদকজয়ী ৰ'ছিবীনা দেৱীয়ে ৬০ কিলোগ্ৰাম শাখাত অভিযান আৰম্ভ কৰিব। ভাৰতে লগতে আজি চেপাকটাক্ৰ' আৰু ছফ্‌ট টেনিছ প্ৰতিযোগিতাতো প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ধুবুৰী জিলাৰ চাপৰত ৪৮ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ ৩ হাজাৰ ২০০ মেগাৱাট শক্তিসম্পন্ন তাপ বিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা বাতৰিটো **আমাৰ অসম, দি আছাম ট্ৰিবিউন, দা ছেণ্টিনেল, দৈনিক অগ্ৰদূত**কে ধৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। আমাৰ অসম কাকতৰ শিৰোনাম 'চাপৰত আদানিৰ ৩ হাজাৰ ২০০ মেগাৱাটৰ তাপবিদ্যুৎ প্ৰকল্পৰ শিলান্যাস মুখ্যমন্ত্ৰীৰ'। দা ছেণ্টিনেল কাকতৰ শিৰোনাম 'CM LAYS FOUNDATION STONE FOR 3,200 MW ADANI CHAPAR PROJECT'.

ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ হেমকোষৰ আধাৰত ৰাভা, বড়ো, মিছিং আৰু কাৰ্বি জনজাতিৰ প্ৰায় ২০ হাজাৰ শব্দৰ অন্তৰ্ভুক্তিৰে সাদিন-প্ৰতিদিন গোষ্ঠী আৰু হেমকোষ প্ৰকাশনৰ উদ্যোগত কালি হেমকোষ পৰিশিষ্ট শীৰ্ষক এখন শব্দকোষ উন্মোচন কৰাৰ বাতৰিটোক **অসমীয়া প্ৰতিদিন** কাকতে ফটো সহকাৰে প্ৰধান বাতৰিত স্থান দিছে।

দিল্লী-মীৰাট আঞ্চলিক দ্ৰুত ৰে'ল ব্যৱস্থাৰ আৰ্হিত অসমত এনে নেটৱৰ্ক গঢ়াৰ সম্ভাৱনাক লৈ এছিয়ান উন্নয়ন বেংকৰ সৈতে প্ৰাথমিক আলোচনা আৰম্ভ হোৱা বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰা বাতৰিটো **অসমীয়া খবৰ** কাকতে 'নমো ভাৰত! চলিব দ্ৰুতবেগী ৰে'ল' শিৰোনামেৰে প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

জাতীয় কবি, শিশু সাহিত্যিক, গীতিকাৰ আনিছ উজ জামানৰ কালি মৃত্যুৰ বাতৰিটো **দৈনিক অসম, দৈনিক জনমভূমি** কাকতকে ধৰি প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ধুবুৰী জিলাৰ গৌৰীপুৰৰ ঐতিহাসিক হাৱা মহল সংৰক্ষণ কৰি সংগ্ৰহালয় হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰি থকা প্ৰকল্পৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়, অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনিৰে বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**